**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-09-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***<u>HEADLINES</u>***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণৰ সেৱাত ২৫ বছৰ সম্পূৰ্ণ কৰাৰ দিশে আগবাঢ়িছে।

২। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সকলো নাগৰিকক এখন সমৃদ্ধিশালী, শক্তিশালী আৰু উন্নত ভাৰত গঢ়াৰ সেৱাত নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাইছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভূটানৰ বিদেশমন্ত্ৰীৰ সৈতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ উপৰি দ্বিপাক্ষিক সম্পৰ্কৰ সকলোবোৰ দিশ পৰ্যালোচনা কৰে।

৪। কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰা হৈছে।

আৰু

৫। এছিয়ান গেমছ্‌ত মহিলা ক্ৰিকেটৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতে জাপানৰ বিৰুদ্ধে ৮ উইকেটত জয়লাভ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণৰ সেৱাত ২৫ বছৰ সম্পূৰ্ণ কৰাৰ দিশে আগবাঢ়িছে। জনসেৱাই দেশ সেৱা মন্ত্ৰেৰে জনসাধাৰণৰ সেৱাৰ প্ৰতি অবিচল প্ৰতিশ্ৰুতিৰে তেওঁ এই যাত্ৰা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ দৃষ্টিভংগীৰে পৰিচালিত চৰকাৰখনে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ়াৰ লক্ষ্যৰে নিৰন্তৰ কাম কৰি আহিছে। সামগ্ৰিক উন্নয়ন আৰু সামাজিক সবলীকৰণৰ জৰিয়তে এই প্ৰচেষ্টাই জনসাধাৰণৰ জীৱনত ব্যাপক পৰিৱৰ্তন আনিছে। এই উপলক্ষে সেৱা সংকল্প অভিযানৰ বিশেষ সম্প্ৰচাৰ কৰা হৈছে। ইয়াৰ অংশ হিচাপে আজি স্বচ্ছ ভাৰত অভিযানৰ জৰিয়তে বাস্তৱিকতে হোৱা সামাজিক আৰু স্বাস্থ্য সম্পৰ্কীয় পৰিৱৰ্তনৰ আলোকপাত কৰা হৈছে।

oooooo

সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সকলো নাগৰিকক এখন সমৃদ্ধিশালী, শক্তিশালী আৰু উন্নত ভাৰত গঢ়াৰ সেৱাত নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে নতুন দিল্লীত কালি সেৱা সংকল্প অভিযানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। শ্ৰী ৰিজিজুৱে উল্লেখ কৰে যে ভাৰতে আন্তঃগাঁথনি, যোগাযোগ আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত উল্লেখনীয় পৰিৱৰ্তনৰ সাক্ষী হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতৰ ৰূপান্তৰৰ যাত্ৰাৰ কথা উল্লেখ কৰি শ্ৰী ৰিজিজুৱে কয়, যে অতি ভিতৰুৱা সীমান্ত অঞ্চলসমূহত বৰ্তমান মটৰ গাড়ীৰ সুবিধা থকাৰ লগতে দেশৰ ৮০ কোটিতকৈও অধিক লোকে বিনামূলীয়া খাদ্য তথা অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী লাভ কৰিছে। ভাৰত সম্প্ৰতি শক্তিশালী, নিৰাপদ আৰু স্থিৰ ৰাষ্ট্ৰ হিচাপে গঢ়ি উঠিছে বুলি

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে সমাজৰ সকলো শ্ৰেণীৰ বাবে কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰদানৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাত আলোকপাত কৰে। তেওঁ কয়, যে সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে এনে আঁচনিসমূহৰ সুবিধা যাতে, সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলে লাভ কৰে, সেয়া সুনিশ্চিত কৰাৰ দিশত কাম কৰি আছে। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে প্ৰতিজন ভাৰতীয়ই এই উন্নয়নমূলক আঁচনিৰ সুবিধাসমূহ লাভ কৰাৰ ওপৰত মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

বাইট

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে ভূটানৰ উন্নয়নত ভাৰতৰ সমৰ্থনৰ কথা দোহাৰে। তিনিদিনীয়া ভ্ৰমণসূচীৰে যোৱা বুধবাৰে ভূটানলৈ যোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভূটানৰ বিদেশমন্ত্ৰী লিয়নপো ডি এন ধুংগিয়েলৰ সৈতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ উপৰি দ্বিপাক্ষিক সম্পৰ্কৰ সকলোবোৰ দিশ পৰ্যালোচনা কৰে। দুয়োপক্ষই বিশেষ আৰু বহুমুখী ভাৰত-ভূটান অংশীদাৰিত্ব শক্তিশালী কৰাৰ দিশত অগ্ৰগতিৰ শলাগ লয়।

ড° জয়শংকৰ আৰু মন্ত্ৰী ধুংগিয়েলে যুটীয়াভাৱে কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে। ইয়াৰ ভিতৰত মুংগৰত ৬৫ খন বিছনাযুক্ত এখন হাস্পতাল, ছামড্ৰুপ জংখাৰ-ট্ৰাছিগাং ঘাইপথত জগন্নাথন সেঁতু, ভাৰতৰ পৰা ৪৩ জনী জাৰ্চি গাই ভূটানৰ বুমথাঙত থকা ৰাষ্ট্ৰীয় পশু প্ৰজনন কেন্দ্ৰলৈ প্ৰেৰণকে ধৰি বিভিন্ন প্ৰকল্প আছে। মন্ত্ৰী দুগৰাকীয়ে ৫০০ কিলোৱাটযুক্ত লুনানা জলবিদ্যুৎ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। দুয়োগৰাকী নেতাই ২০২৪ৰ মাৰ্চত শক্তি অংশীদাৰিত্বৰ যুটীয়া দৰ্শন ৰূপায়ণত সন্তুষ্টি প্ৰকাশ কৰে।

এই ভ্ৰমণকালত ড° জয়শংকৰে ভূটানৰ ৰজা জিগমে খেচৰ নামগিয়েল ৱাংচুক আৰু ভূটানৰ প্ৰধানমন্ত্ৰী ডাছ' শ্বেৰিং টবগেক সাক্ষাৎ কৰে।

০০০০০০

বিত্ত মন্ত্ৰালয়ে আজিৰে পৰা নতুন দিল্লীত বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰাৰ বাবে বিত্ত যোগান বিষয়ক দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্ত মন্ত্ৰী আৰু বিত্ত সচিবসকলে এই সন্মিলনত ভাগ ল'ব। সন্মিলনত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰী উপস্থিত থাকিব। পৰিসংখ্যা কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ সচিব ড০ সৌৰভ গাৰ্গে সন্মিলনত বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰা ফলাফলৰ মূল্যায়নৰ বিষয়ে আলোকপাত কৰিব। একেদৰে ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ সচিব এছ কৃষ্ণণে সুশাসনত নতুন যুগৰ প্ৰযুক্তিৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব। সন্মিলনত দেশৰ বিকাশৰ সৈতে জড়িত বিত্তীয় প্ৰত্যাহ্বান আৰু নীতিগত অগ্ৰাধিকাৰৰ বিষয়ে আলোচনা হ'ব বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। সন্মিলনৰ তিনিটা সত্ৰত স্থূল অৰ্থনীতি কৃষি আৰু শক্তি খণ্ডৰ ৰূপান্তৰৰ বাবে বিত্ত যোগান ব্যৱস্থা সম্পৰ্কে বিশ্লেষণ কৰা হ'ব।

০০০০০০০

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। পুৱাৰেপৰা

গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পূজা মণ্ডপ সমূহত বিশ্বখনিকৰক আৰাধনাৰ বাবে জনসাধাৰণৰ ভিৰ পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে।

আকাশবাণী গুৱাহাটীৰ চৌহদত আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰা হৈছে।

০০০০০০

আজি বিশ্ব বাঁহ দিৱস। পৰিৱেশ সংৰক্ষণ, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত বাঁহৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ বাবে প্ৰতিবছৰে ১৮ ছেপ্তেম্বৰৰ দিনটো বাঁহ দিৱস হিচাপে পালন কৰা হয়। ২০০৯ চনত বিশ্ব বাঁহ সংস্থাৰ অধ্যক্ষ কামেশ ছালামে এই দিৱস উদযাপনৰ সিদ্ধান্ত লৈছিল। এই দিৱস উদযাপনৰ দ্বাৰা গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন, জলবায়ু পৰিৱৰ্তন ৰোধ কৰা আৰু বহনক্ষম উন্নয়নৰ বাবে নৱীকৰণযোগ্য সম্পদ হিচাপে বাঁহৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই বছৰ বাঁহ দিৱসৰ মূল বিষয়বস্তু হৈছে – 'সীমাৰ পৰিধি ভাঙি বাঁহ'।

উল্লেখযোগ্য যে ভাৰতত থকা ১৩১ বিধ বাঁহৰ প্ৰজাতিৰ ভিতৰত ৫১ বিধেই অসমত হয়। ৰাজ্যখনৰ ৩১ হাজাৰ হেক্টৰ ভূমিত বাঁহ খেতি কৰা হয়। শেহতীয়াকৈ নুমলীগড় শোধনাগাৰৰ চৌহদত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক ইথানল প্ৰকল্প দেশৰ প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰাৰ পাছতে বাণিজ্যিক ক্ষেত্ৰতো বাঁহৰ গুৰুত্ব বৃদ্ধি পাইছে।

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাযোগে অসমৰ বাঁহ উদ্যোগৰ অপাৰ সম্ভাৱনাক স্বীকৃতি দিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে পৰম্পৰাগত ঘৰ-দুৱাৰ আৰু বাদ্যযন্ত্ৰৰ পৰা আৰম্ভ কৰি মনোমোহা হস্তশিল্পলৈকে বাঁহ অসমৰ লোক জীৱন, সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। বাঁহে কাৰিকৰসকলৰ জীৱিকা সুদৃঢ় কৰাৰ লগতে স্থানীয় উদ্যোগক উৎসাহিত কৰি অধিক সেউজ আৰু বহনক্ষম অৰ্থনীতি গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বেংগালুৰুত হিন্দুস্তান এৰ'নেটিক্স লিমিটেডৰ বিভিন্ন বিভিন্ন শাখাৰ ভাৰতীয় বায়ুসেনা আৰু পৱনহংসৰ হাতত অৰ্পণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বাংগালুৰুত বায়ুসেনাক লঘু যুঁজাৰু বিমান তেজছৰ দুখন আসনবিশিষ্ট প্ৰশিক্ষণ আৰু এইছ টি টি-৪০ বুনিয়াদী প্ৰশিক্ষণ বিমান অৰ্পণ কৰিব। বিমানাকাশ আৰু প্ৰতিৰক্ষা খণ্ডৰ কোম্পানীটোৱে লগতে ৰাজহুৱা খণ্ডৰ পৱনহংস লিমিটেড নামৰ কোম্পানীটোৰ পৰৱৰ্তী প্ৰজন্মৰ ধ্ৰুৱ হেলিকপ্তাৰ প্ৰদান কৰিব। অনুষ্ঠানত অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুও উপস্থিত থাকিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এই বিমান আৰু হেলিকপ্তাৰ কেইখনৰ অন্তৰ্ভুক্তিয়ে থলুৱা সামৰ্থ্য বৃদ্ধি কৰিব আৰু বিদেশী উৎসৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব বুলি দাবী কৰিছে। চৰকাৰে প্ৰতিৰক্ষা আৰু বিমানাকাশ খণ্ডত থলুৱা আৰ্হি, বিকাশ আৰু নিৰ্মাণৰ প্ৰসাৰত অগ্ৰাধিকাৰ দি আহিছে বুলি মন্ত্ৰালয়ে বুলি প্ৰকাশ কৰিছে।

০০০০০০

পাকিস্তানে উদ্দেশ্য প্ৰণোদিতভাৱে অপ-প্ৰচাৰ চলোৱা এটা ভুৱা ভিডিঅ' কেন্দ্ৰীয় চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ তথ্য পৰীক্ষা গোটে ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পৰৱথানেনি হৰিশে আফগানিস্তানৰ পৰিস্থিতি সম্পৰ্কীয় নিৰাপত্তা পৰিষদৰ বৈঠকত এমনেষ্টি ইণ্টাৰনেচনেলে ২০২৩ চনৰে পৰা ইজৰাইললৈ প্ৰেৰণ

কৰা দুহেজাৰ ৫৯৬ ভাৰতীয় খেপৰ বিশ্লেষণ কৰা বুলি দাবী কৰাৰ এই ভিডিঅ'টো ভুৱা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰস্তুত কৰা বুলি অভিহিত কৰিছে। পি আই বিয়ে লগতে শ্ৰী হৰিশে এনেধৰণৰ কোনো মন্তব্য কৰা নাই বুলি স্পষ্ট কৰি দিছে।

০০০০০০০

জাপানৰ নিশ্বিনত অনুষ্ঠিত এছিয়ান গেমছৰ মহিলা ক্ৰিকেটত ভাৰতে চেমিফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে আজি কোৱাৰ্টাৰ ফাইনেলত জাপানক ৮ উইকেটত পৰাস্ত কৰে। ভাৰতে ৫৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মাত্ৰ পাঁচ অভাৰত দুটা  উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ  শেফালি বাৰ্মাই ৪০ ৰান আৰু ৰিচা ঘোষে  ১২ ৰাণ কৰি অপৰাজিত হৈ ৰয়। ইয়াৰ পূৰ্বে জাপানে প্ৰথমে বেট ধৰি ১৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৭ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ শ্ৰী চৰণীয়ে চাৰিটা আৰু ছেফালি বাৰ্মাই দুটা উইকেট দখল কৰে। অহা দেওবাৰে ভাৰতীয় দলটো বাংলাদেশৰ বিৰুদ্ধে ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০

*সমাপ্ত*